# বিপুল ৰেগনৰ কবিতা

**পৰিৱৰ্তন**

গাঁওখনত ইকৰা বেৰ নাইকিয়া হৈছে
পাকঘৰৰ চুঙা বাঁহৰ বেংক বেলেঙ্ক লজ্জিত হৈছে
চূণ লগোৱা বাঁহৰ খুঁটাৰো দেখাদেখি নাই

শামুকভঙাৰ ঠাইত ইবিচ চৰাইৰ সমদল
চৰাইজাকে বিষ্ঠাত এৰি দিয়ে বীজ
কিছু বীজ চিনাকি কিছু বীজ অচিনাকি
গছ-গছনি হয়
জিৰণি লওঁ গছৰ ছাঁত

পকী ঘৰ সাজিব
চাৰিলেনযুক্ত কংক্রীটৰ ৰাস্তা বনাব
গছ কাটি টহিলং কৰিলে
শামুকভঙা চৰাইজাকৰ জিৰণি লোৱা গছজোপা নাইকিয়া হ'ল
চৰাইবোৰ নেদেখা হ'লোঁ

ভৰিত ধূলি নলগা হ'ল
শৰীৰত ডিহাইড্রেচন আৰম্ভ
প্রকৃতিৰ সৌন্দৰ্য ম্লান পৰিল
তথাপি গাঁৱৰ ঘৰখন বিচাৰোঁ
এজাক চৰাই আৰু এখন কাঠনিবাৰীৰ

**বিপুল ৰেগন** এগৰাকী কবি আৰু লেখক। *সীতা ৰাৱণৰ আত্মকথন* তেওঁৰ শেহতীয়া কাব্যগ্রন্থ। যোৱা ৫ জুলাই তাৰিখে কবিগৰাকীৰ অকাল মৃত্যু ঘটে। মৃত্যুৰ কেইদিনমানৰ আগতে উক্ত কবিতাটো *PWF*-লৈ তেওঁ প্ৰেৰণ কৰিছিল। সম্ভৱতঃ এইটোৱেই তেওঁৰ অন্তিম কবিতা। কবিগৰাকীলৈ শ্রদ্ধা যাচি কবিতাটো ইংৰাজী অনুবাদৰ সৈতে ইয়াত প্ৰকাশ কৰা হ’ল।